অসম বিধান সভা

লিখিত উত্তৰৰ বাবে প্ৰশ্ন সমূহৰ তালিকা

বুধবাৰ, ১২ আগষ্ট, ২০১৫

গড়কাপ্তানি (পথ, গৃহ, ৰাষ্ট্ৰীয় ঘাইপথসমূহ), পৰিকল্পনা আৰু উন্নয়ন, ন্যায়িক, বিধায়িনী, আইন, জলসিঞ্চন, ভূমি সংৰক্ষণ, পৰিবহণ, আবকাৰী, ক্ৰীড়া আৰু যুৱ কল্যাণ, খনিজ আৰু খনিজাত সম্পদ, কাৰাগাৰ, সীমান্ত অঞ্চল উন্নয়ন।

প্ৰশ্ন সমূহৰ মুঠ সংখ্যা - ৫০

বিষয় ঃ **জলসিঞ্চন আঁচনি**

শ্ৰীকেশৰ মহন্ত ঃ

১০১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কলিয়াবৰ বিধান সভা সমষ্টিত থকা জলসিঞ্চনৰ আঁচনিকেইখনৰ নাম উল্লেখ কৰিবনে?

(খ) ইয়াৰে কোনকেইখন কাৰ্য্যক্ষম হৈ আছে জনাবনে?

(গ) কাৰ্য্যক্ষম হৈ থকা আঁচনিকেইখনে বৰ্তমান বৰ্ষত কিমান কৃষিভূমিত পানী যোগান ধৰিছে, অনুগ্ৰহ কৰি জনাবনে?

(ঘ) বাকী কাৰ্য্যক্ষম নোহোৱা আঁচনিকেইখন মেৰামতি কৰাৰ বাবে কিমান ধন ধাৰ্য্য কৰিছে, অনুগ্ৰহ কৰি জনাবনে?

(ঙ) নতুন আঁচনি লোৱা হৈছে নেকি? যদি হৈছে, উল্লেখ কৰিবনে?

বিষয় ঃ **চাৰি লেনযুক্ত পথ**

শ্ৰীঅৰুণ ফুকন ঃ

১০২। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নুমলীগড়ৰ পৰা কলিয়াবৰলৈকে ৩৭ নং ৰাষ্ট্ৰীয় ঘাইপথটো চাৰি লেনযুক্ত কৰাৰ ব্যৱস্থা চৰকাৰে কৰিছেনে?

(খ) যদি কৰিছে, কেতিয়াৰ পৰা এই কাম আৰম্ভ হ'ব?

(গ) নুমলীগড়, দেওথৰ, ডলামৰালৈ চাৰি লেনযুক্ত পথ (কাৰ্বিআংলং জিলা) নিৰ্মাণৰ আঁচনি গ্ৰহণ কৰা হ'ব নেকি?

বিষয় ঃ **গড়কাপ্তানি উপ-সংমণ্ডল স্থাপন**

শ্ৰীযাদৱ চন্দ্ৰ ডেকা ঃ

১০৩। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গড়কাপ্তানি বিভাগে প্ৰেৰণ কৰা বাইহাটা চাৰিআলি এলেকাত স্থাপন কৰিব বিচৰা নতুন উপ-সংমণ্ডলৰ প্ৰস্তাৱসহ নং RBEB-914/2007 ফাইলটো বিত্ত বিভাগে ১২/১২/২০১৪ তাৰিখে পোৱাৰ পিছত পুনৰীক্ষণ কৰি গোৰেশ্বৰ ৰুৰেল ৰ'ড ডিভিজনৰ অধীনস্থ নাওকাটা আৰু গোৰেশ্বৰ শাখা মুচলপুৰ R & B ডিভিজনলৈ স্থানান্তৰ কৰাৰ সম্পৰ্কত প্ৰস্তাৱ দাখিল কৰিবলৈ পৰামৰ্শ দি গড়কাপ্তানি বিভাগলৈ ১১/০৩/২০১৫ তাৰিখে পুনৰ প্ৰেৰণ কৰাটো সঁচানে?

(খ) যদি সঁচা, স্থানান্তৰিত কৰা প্ৰস্তাৱ দাখিল কৰি ফাইলটো বিত্ত বিভাগলৈ প্ৰেৰণ কৰা হ'লনে?

(গ) যদি হৈছে, কিমান তাৰিখে প্ৰস্তাৱসহ ফাইলটো প্ৰেৰণ কৰিছিল?

(তথ্য সহকাৰে প্ৰস্তাৱৰ প্ৰতিলিপি সদনত দাখিল কৰিব)

(ঘ) যদি প্ৰেৰণ কৰা নাই, আজি পাঁচ মাহে ফাইলটো ৰাখি থৈ দিয়াৰ কাৰণ জনাবনে?

Sub. : **Appointment of Public prosecutor/Additional public prosecutor, etc. at Cachar District.**

Shri ANAMUL HAQUE :

104. Will the Minister of Law be pleased to state :

(a) Whether it is a fact that Judicial Department had appointed 10 Nos. of lawyers of Silchar bar as Public prosecutor/Additional Public prosecutors and Assistant Public prosecutors vide Government notification dated 26/5/15. In the said notification one Senior Advocate namely Faizul Haque Laskar who was working as Additional Public Prosecutor has also been relieved who was entrusted with the said post from long time ?

(b) Is it a fact that Silchar bar consists of 30% lawyers from minority community whereas no representation was made from the said community ?

(c) Whether guidelines of the Govt. was followed in the said selection ?

(d) Is it a fact that it is learnt that many junior lawyer without having required cases handled by him has also been selected ?

(e) Whether Government will take necessary step regarding appointment of lawyers proportionately from minority community ?

বিষয় ঃ পানী যোগান

শ্ৰীপ্ৰবীন হাজৰিকা ঃ

১০৫। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) Sonitpur District ৰ Biswanath LAC ৰ অন্তৰ্গত Pavoi G. P. আৰু Salaikhati, Balichang & Bamuni Pathar G. P. অঞ্চলসমূহত যোৱা এমাহৰ আগতে হৈ যোৱা বানপানীত জলসিঞ্চন বিভাগৰ কি কি আঁচনি ক'ত ক'ত ক্ষতি হ'ল আৰু কিমান হ'ল?

(খ) ক্ষতি হোৱা বান্ধ আৰু নলাসমূহ কৃষক ৰাইজৰ খেতিৰ বাবে জৰুৰীভাৱে নিৰ্মাণৰ কিবা ব্যৱস্থা কৰিছেনে?

(গ) বিভাগৰ কৰ্তব্যত অৱহেলা কৰা কোনোবা কৰ্মচাৰীক উক্ত বিষয়ত D. C. ডাঙৰীয়াই নিলম্বিত কৰাৰ নিৰ্দ্দেশ দিছে নেকি? যদি দিছে, তেন্তে আঁচনিবোৰৰ নাম দি ব্যক্তিসকলৰ নাম উল্লেখ কৰিবনে?

Sub. : **National Highways**

Shri JAMAL UDDIN AHMED :

106. Will the Minister of Public Works Department be pleased to state :

(a) Whether the Government is aware of the deteriorated condition of National Highways from Malidahar to Churaibari ?

(b) Whether the Government knows that the ARSS Company given the work neither do maintenance works nor the construction of the road from Karimganj bye-pass to Churaibari?

(c) When was the ARSS given the work and what was its period of completion ?

(d) Why the Government does not take action against it for cancellation etc. ?

বিষয় ঃ **Weigh Bridge**

শ্ৰীজাহান উদ্দিন ঃ

১০৭। মাননীয় পৰিবহণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কি কি নিয়মৰ আধাৰত Weigh Bridge স্থাপনৰ অনুমতি প্ৰদান কৰা হয়?

(চৰকাৰী নীতি-নিৰ্দ্দেশনাৰ কপি দিব)

(খ) ধুবুৰী জিলাত কিমানখন চৰকাৰী অনুমোদিত আৰু বেচৰকাৰী Weigh Bridge আছে?

(বিতং তালিকা দিব)

(গ) Weigh Bridge স্থাপনৰ অনুমতিৰ ক্ষেত্ৰত উপায়ুক্তৰ "আপত্তি বিহীন প্ৰমাণ পত্ৰ (NOC)" দাখিল দিয়াটো বাধ্যতামূলকনে?

(ঘ) যদি বাধ্যতামূলক, তেন্তে NOC নোহোৱাকৈ বহুকেইটা Weigh Bridge স্থাপনৰ অনুমতি দিয়া হ'ল কেনেকৈ?

(ঙ) বিগত ৫ টা বছৰত ধুবুৰী জিলাত কিমানটা Weigh Bridge স্থাপনৰ অনুমতি দিয়া হৈছিল আৰু তাৰে কোন কোন Weigh Bridge ৰ অনুমতিৰ ক্ষেত্ৰত উপায়ুক্তৰ NOC দাখিল দিয়া হৈছিল আৰু কোন কেইটাত NOC দাখিল দিয়া হোৱা নাছিল?

(NOC ৰ কপিসহ বিতং তালিকা দিব)

বিষয় ঃ **শ্ৰীৰামপুৰ গেট বিষয়া সম্পৰ্কত**

শ্ৰীবনেন্দ্ৰ কুমাৰ মুছাহাৰী ঃ

১০৮। মাননীয় পৰিবহণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) শ্ৰীৰামপুৰ মটৰ পৰিবহণ তালাচী গেট আৰু দীঘাৰশাল মটৰ পৰিবহণ তালাচী চকীত কোন কোন ভাৰপ্ৰাপ্ত বিষয়াই কাম কৰি আছে জনাবনে?

(খ) এই বিষয়া ২ গৰাকীয়ে আন কিবা পদত কাৰ্য্যনিৰ্বাহ কৰি আছে নেকি? যদি আছে, কি পদবীত কাম কৰি আছে জনাবনে?

(গ) শ্ৰীৰামপুৰ মটৰ পৰিবহণ তালাচী গেটৰ পৰা বঙাইগাঁও জিলা পৰিবহণ বিষয়াৰ কাৰ্য্যালয়লৈ দূৰত্ব কিমান জনাবনে? আনহাতে দীঘাৰশাল মটৰ পৰিবহণ তালাচী গেটৰ পৰা কামৰূপ (মেট্ৰ') জিলা পৰিবহণ বিষয়াৰ কাৰ্য্যালয়লৈ দূৰত্ব কিমান জনাবনে?

(ঘ) ওপৰোক্ত বিষয়া দুগৰাকী কোন কোন সময়ত কোনটো কাৰ্য্যালয়ত উপস্থিত থাকে বিতংকৈ জনাবনে?

বিষয় ঃ **জলসিঞ্চন আঁচনি**

শ্ৰীউৎপল দত্ত ঃ

১০৯। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত জলসিঞ্চন বিভাগে সামৰিব পৰা কিমান কৃষিভূমি আছে আৰু এই কৃষিভূমিৰ কিমান হেক্টৰ জলসিঞ্চন বিভাগে সামৰি লৈছে, বাকী থকা এলেকাক কেতিয়াকৈ সামৰি ল'ব?

(খ) জলিসঞ্চন বিভাগে সামৰি লোৱা কৃষিভূমিত বৃহৎ, মজলীয়া আৰু ক্ষুদ্ৰ আঁচনিৰ সংখ্যা কিমান?

(আঁচনিসমূহ ক'ত ক'ত আছে জনাব)

(গ) অসম্পূৰ্ণ বৃহৎ আঁচনিসমূহ কি কি আৰু এই আঁচনিসমূহ কেতিয়াৰ পৰা আৰম্ভ হৈছিল? এতিয়ালৈ আঁচনিসমূহৰ বিপৰীতে কিমান পুঁজি লাভ কৰিলে?

(ঘ) আঁচনিসমূহ নিৰ্মাণৰ বাবে কোন কোন ঠিকাদাৰক দায়িত্ব দিয়া হৈছিল আৰু ঠিকাদাৰসকলক কিমান টকা আদায় দিয়া হ'ল?

(আঁচনি অনুসৰি তথ্য দিব)

(ঙ) নতুনকৈ ক'ত ক'ত জলসিঞ্চন আঁচনি স্থাপনৰ বাবে ব্যৱস্থা লৈছে আৰু এই আঁচনিসমূহৰ বিপৰীতে অনুমোদিত, মুকলি হোৱা পুঁজিৰ পৰিমাণ কিমান?

(চ) এই আঁচনিসমূহ নিৰ্মাণৰ বাবে কোনটো আঁচনিৰ বিপৰীতে কোন কোন ঠিকাদাৰক কিমান টকাৰ কাম দিয়া হৈছে?

(ছ) লখিমপুৰ জিলাত নিৰ্মাণ হ'বলগীয়া আঁচনিৰ প্ৰাক্কলন দাখিল কৰিবনে?

বিষয় ঃ **শিলচৰ (ৰংপুৰ) সদৰ ঘাটৰ বৰাক সেতু**

শ্ৰীদিলীপ কুমাৰ পাল ঃ

১১০। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয় অনুগ্ৰহ কৰিয়া জানাবেন কি ঃ

(ক) শিলচৰ ৰংপুৰে সদৰ ঘাটে বৰাক নদীৰ উপৰ প্ৰস্তাবিত নূতন বৰাক সেতুৰ কাজ শুৰু হয়েছে কি?

(খ) কত দিনেৰ ভিতৰ এই সেতুৰ কাজ সম্পূৰ্ণ হবে?

(গ) উক্ত সেতু নিৰ্মাণেৰ জন্য জমি অধিগ্ৰহণ সম্পূৰ্ণ হয়েছে কি?

(ঘ) যাঁদেৰকে জমিৰ জন্য ক্ষতিপূৰণ দেওয়া হয়েছে তাদের সম্পূৰ্ণ নাম, ঠিকানা, জমিৰ পৰিমাণ, জমিৰ দাগ নং, পাট্টা নং এবং প্ৰত্যেকেএৰ ক্ষতিপূৰনেৰ অৰ্থেৰ পৰিমাণ সুনিৰ্দ্দিষ্ট ভাবে সম্পূৰ্ণ তথ্য সহকাৰে সদনে পেশ কৰাৰ অনুৰোধ জানাই?

বিষয় ঃ আঁচনি ৰূপায়ণ

শ্ৰীমইন উদ্দিন আহমেদ ঃ

১১১। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০১ চনৰ পৰা বৰ্তমানলৈকে জলসিঞ্চন বিভাগৰ জৰিয়তে জলেশ্বৰ সমষ্টিত ৰূপায়ণ কৰা আঁচনি সমূহৰ নাম, আঁচনিৰ বিপৰীতে আবণ্টিত পুঁজিৰ পৰিমাণ, প্ৰতিটো কামৰ work order ৰ copy physical progress আৰু Financial progress ৰ সৈতে বিতং তথ্য দাখিল কৰিব ?

(বছৰ ভিত্তিক)

(খ) সমষ্টিটোত আবণ্টিত আঁচনিসমূহৰ কোন কোন আঁচনিৰ কাম সম্পূৰ্ণ হৈছে আৰু কোনকেইটা আধৰুৱা হৈ আছে?

(বিতং তথ্য দাখিল কৰিব)

(গ) আধৰুৱা কামসমূহ কেতিয়া সম্পূৰ্ণ কৰা হ'ব জনাবনে ?

(ঘ) জলসিঞ্চন বিভাগৰ আঁচনিৰ পৰা পানীযোগানৰ সুবিধা পাবলৈ কিমান বছৰৰ প্ৰয়োজন হয়? Sialkanda আৰু Silkapara আঁচনি দুখনৰ কাম কেতিয়া আৰম্ভ হৈছে আৰু আঁচনি দুটাৰ পৰা পানীযোগানৰ সুবিধা পাবলৈ আৰু কিমান বছৰ অপেক্ষা কৰিব লাগিব জনাবনে ?

(ঙ) উক্ত আঁচনি দুটাৰ work order ৰ copy, physical progress আৰু Financial progress ৰ বিতং তথ্য দাখিল কৰিব ?

Sub. : **Khalasis post purpose**

Shri ABDUR RAHIM AJMAL :

112. Will the Minister of Irrigation be pleased to state :

(a) How much are the areas of land commanded by JCADD, Hojai ?

(b) Is the Government aware mostly 18/20 nos. of Section Assistance Post are lying Vacant in JCADD, Hojai ? Please give in details.

(c) Whether the Khalasis are serving continuously of their eligibility for more than 15 to 18 years, then why the department should not take any step to promote the Section Post from the Khalasis after Vacancy ?

(d) If so, please submit the documents.

বিষয় ঃ পৰিবহণ নিগমৰ অব্যৱহৃত বাছ আস্থান

শ্ৰীমনোৱাৰ হুছেইন ঃ

১১৩। মাননীয় পৰিবহণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসমত ৰাজ্যিক পৰিবহণ নিগমৰ অব্যৱহৃত বাছ আস্থান (Bus Stand) বোৰৰ মাটি কালিৰ পৰিমাণ আৰু তাত থকা ঘৰ-দুৱাৰৰ সংখ্যা কিমান ?

(বিতংভাৱে উল্লেখ কৰি জিলা ভিত্তিত বিতং তথ্য সদনত দাখিল কৰিব)

(খ) উল্লেখিত নিগমৰ সম্পত্তিৰ বৰ্তমান বজাৰ মূল্য কিমান ? সেই সম্পত্তিৰ কিমান পৰিমাণ বেদখল হৈছে? নিগমৰ এই সম্পত্তি ৰক্ষাৰ কি ব্যৱস্থা চৰকাৰে হাতত লৈছে?

(গ) গোৱালপাৰা জিলাৰ নিগমৰ বাছ আস্থানত কিমান মাটি আছে?

(ঘ) উক্ত বাছ আস্থানৰ চাৰিও কাষে থকা ভাৰা ঘৰবোৰ কোনে নিৰ্মাণ কৰিছে? তাত কিমান ভাৰাঘৰ আছে? প্ৰতিটো ভাৰাঘৰৰ ভাৰাতীয়াৰ নামেৰে সৈতে প্ৰতি মাহে কোনজন ভাৰাতীয়াৰ পৰা কিমান ভাৰা সংগ্ৰহ কৰা হয় ?

(ঙ) উক্ত ভাৰাৰ টকা ক'ত কিভাৱে জমা দিয়া হয় আৰু ২০১৪-১৫ আৰু ২০১৫-১৬ চনত কিমান টকা জমা হ'ল?

(বিতং তথ্য সদনত দাখিল কৰিব)

(চ) ছাগলীয়া আৰু শ্ৰীৰামপুৰ গেটত বিভিন্ন বিভাগৰ কিমান কৰ্মচাৰীয়ে কাম কৰে? ২০১১-১২ চনৰ পৰা ২০১৫-১৬ চনলৈ উক্ত গেট দুখনৰ পৰা বিভিন্ন বিভাগৰ দ্বাৰা চৰকাৰৰ কিমান আয় হ'ল?

(বিতং তথ্য সদনত দাখিল কৰিব)

Sub. : **: RIDF of NABARD and MMPDNA Schemes.**

Shri ABDUR RAHMAN AJMAL :

114. Will the Minister of PWD be pleased to state :

(a) Under Rural Infrastructure Development Fund of NABARD, how many projects are taken by the Government of Assam for the development of rural infrastructure in last 5 years ?

(Please mention the projects' name, present status, year of completion and money invested in each project. Furnish the data district-wise)

(b) Out of those projects how many projects are completed and how many are ongoing process ?

(Please mention the projects name, present status, year of completion and money invested in each project. Furnish the data district-wise)

(c) How many SPT bridge are converted irto RCC bridge in last 5 (five) years in Assam under MMPDNA/ NLCPR/RIDF/CM's Spl. Package etc. Scheme ?

(Please mention the name of proposed bridges and money sanctioned for each bridge in LAC-wise)

(d) Have any sanction to Kolabari SPT bridge for convert RCC bridge of South Salmara LAC under CM's Spl. Scheme 2014-15 ?

(e) If so, when it will be started ?

(f) Have any plan to sanction the RCC bridges–

(i) Dhenarkuti to Phulbari over the river Jinjiram,

(ii) Fulkaraty over the river Tipkai and

(iii) Boyzer Alga near Goailerchar of South Salmara LAC ?

(g) If so, please give in details.

বিষয় ঃ **বিধায়ক পুঁজি**

শ্ৰীকমলসিং নাৰ্জাৰী ঃ

১১৫। মাননীয় পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা ২০১৩-১৪ বিত্তীয় বৰ্ষৰ বিধায়ক উন্নয়ন পুঁজি কেতিয়া মঞ্জুৰী দিয়া হৈছিল? আকৌ ২০১৪-১৫ বিত্তীয় বৰ্ষৰ বিধায়ক উন্নয়ন পুঁজি কেতিয়া আবণ্টিত কৰা হৈছিল?

(খ) বিধায়ক উন্নয়ন পুঁজি বিধায়কসকলক কি কাৰণত দিয়া হয়? ইয়াৰ কিবা নীতি-নিৰ্দ্দেশনা আছেনে?

(বিতং তথ্য দিব)

(গ) বিধায়ক উন্নয়ন পুঁজি ব্যৱহাৰৰ ক্ষেত্ৰত বিধায়কৰ ক্ষমতা কিমান? বিধায়কে উপায়ুক্তৰ মতে চলিব লাগেনে?

(বিতং বিৱৰণ দিব)

(ঘ) চিৰাং জিলাত বিধায়ক উন্নয়ন পুঁজি খৰচ নকৰাৰ কাৰণ কি কি?

বিষয় ঃ **ননৈ জলসিঞ্চন আঁচনি**

শ্ৰীবিনন্দ কুমাৰ শইকীয়া ঃ

১১৬। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ছিপাঝাৰ সমষ্টিৰ অন্তৰ্গত ননৈ বোৰতী জলসিঞ্চন আঁচনিৰ কাম বৰ্তমান কি পৰ্য্যায়ত আছে?

(খ) ২০০৮-০৯ চনতেই আৰম্ভ কৰা আঁচনিখনৰ কাম বৰ্তমানলৈ কিমান শতাংশ সম্পূৰ্ণ হৈছে?

(গ) আঁচনিখনৰ বিষয়ে বিধান সভাত যোৱা বাজেট অধিৱেশনৰ ৪-৩-২০১৫ তাৰিখে সোধা তৰাচিহ্নিত প্ৰশ্নৰ উত্তৰ কালত মন্ত্ৰী মহোদয়ে নিজেই উক্ত আঁচনিখন পৰিদৰ্শন কৰি আহি আঁচনিখন অতি শীঘ্ৰেই সম্পূৰ্ণ কৰা হ'ব বুলি মাননীয় বিধান সভাৰ অধ্যক্ষ মহোদয়ৰ ওচৰত প্ৰতিশ্ৰুতি প্ৰদান কৰিছিল। মন্ত্ৰী মহোদয়ে প্ৰদান কৰা প্ৰতিশ্ৰুতি অনুসৰি এতিয়ালৈ কি কি পদক্ষেপ হাতত ল'লে জনাবনে?

(ঘ) আঁচনিখনৰ বিষয়ে বিধান সভাত যোৱা বাজেট অধিৱেশনৰ ৪-৩-২০১৫ তাৰিখে সোধা তৰাচিহ্নিত প্ৰশ্নৰ উত্তৰ কালত মন্ত্ৰী মহোদয়ে ২০১৩ চনতেই সম্পূৰ্ণ হ'ব লগা আঁচনিখনৰ বাবে দ্বিতীয়জন ঠিকাদাৰো ব্যৰ্থ হোৱা বুলি উল্লেখ কৰি ২০১৫-১৬ বৰ্ষৰ বাজেটত ১০ কোটি টকাৰ প্ৰস্তাৱ দিয়াৰ পাছত ২০১৫-১৬ বৰ্ষতেই আঁচনিখন সম্পূৰ্ণ হ'ব বুলি জনাইছিল। প্ৰদান কৰা প্ৰতিশ্ৰুতি অনুসৰি পদক্ষেপ গ্ৰহণ কৰা হ'লনে?

(ঙ) যদি হোৱা নাই, ইয়াৰ কাৰণ কি জনাবনে? আঁচনিখন কেতিয়াকৈ সম্পূৰ্ণ হ'ব?

বিষয় ঃ **সীমান্ত নিৰীক্ষণ চকী**

শ্ৰীদেৱব্ৰত শইকীয়া ঃ

১১৭। মাননীয় সীমান্ত অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম বিধান সভাৰ পূৰ্বৰ অধিৱেশনত অসম-নাগালেণ্ড সীমান্তৱৰ্তী গেলেকী অঞ্চলত সীমান্ত নিৰীক্ষণ চকী (ব'ৰ্ডাৰ আউট প'ষ্ট) স্থাপনৰ প্ৰস্তাৱ বিবেচনাধীন হৈ থকা বুলি মাননীয় মন্ত্ৰী মহোদয়ে সদনক অৱগত কৰিছিল। সম্প্ৰতি সীমান্ত নিৰীক্ষণ চকী স্থাপনৰ এই প্ৰস্তাৱ কি পৰ্য্যায়ত আছে জনাবনে?

(খ) উক্ত নিৰীক্ষণ চকী কিমান দিনৰ ভিতৰত স্থাপন কৰিব?

বিষয় ঃ **খেতি পথাৰত পানী যোগান**

শ্ৰীমনোৰঞ্জন দাস ঃ

১১৮। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান অসমত কিমান হেক্টৰ মাটিত (খেতিপথাৰ) বিভিন্ন জলসিঞ্চন আঁচনিৰে খেতিৰ বাবে পানী যোগান ধৰি আছে?

(খ) বজালীৰ কালদিয়া F. I. S. ৰ জৰিয়তে সকলোবোৰ ডোং (কেনেল) কাৰ্য্যক্ষম কৰি পানীযোগান ধৰিব পাৰিছেনে?

(গ) (খ)ত উল্লেখ কৰামতে যদি পৰা নাই, কিয় পৰা নাই?

Sub. : **Damage Condition of Road**

Shri SANJAY RAJ SUBBA :

119. Will the Minister of PWD be pleased to state :

(a) Whether the Government is aware about the worse and damage condition of the Roads from N.H. 15 Pathalipahar to Harmoti Railway over Bridge via Bandardeva of Nowboicha LAC, District Lakhimpur ?

(b) If so, what steps had been taken for repairing and maintenance of the said Road ?

(c) How many days will it take for immediate restoration of said Road ?

বিষয় ঃ **নিকৰি-কুৰৱাবাহী দলং**

শ্ৰীঅৰুণ ফুকন ঃ

১২০। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বোকাখাত মৌজা আৰু মহুৱা মৌজাৰ জনজাতি অঞ্চল সংযোগ হ'ব পৰাকৈ 'নিকৰি-কুৰুৱাবাহী' ধনশিৰি নদীৰ ওপৰত দলং দিয়াৰ আঁচনি গ্ৰহণ কৰিবনে?

(খ) যদি কৰে, কেতিয়ালৈ কৰিব?

বিষয় ঃ **নতুন আইন**

শ্ৰীফণী ভূষণ চৌধুৰী ঃ

১২১। মাননীয় আইন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০১ চনৰ পৰা কিমানখন আইন প্ৰণয়ন কৰা হৈছে? নতুন আইন আৰু সংশোধিত আইন সমূহৰ সবিশেষ বছৰ আৰু বিভাগ অনুসৰি পৃথকে জনাবনে?

(খ) ইয়াৰে কিমানখন আইনৰ বিধি ব্যৱস্থা (Rules) প্ৰস্তুত কৰি অধিসূচনা জাৰি কৰা হৈছে? প্ৰতিখন বিধি ব্যৱস্থা অধিসূচনাৰ প্ৰতিলিপি সদনৰ মেজত দাখিল কৰিবনে?

(গ) আইন সমূহ কাৰ্য্যকৰী কৰাৰ বাবে বিধি ব্যৱস্থাযুক্ত কৰাৰ ক্ষেত্ৰত আইন বিভাগে সংশ্লিষ্ট বিভাগ সমূহক কিবা নিৰ্দেশ দিয়েনে? যদি দিয়ে, ইয়াৰ সবিশেষ জনাবনে?

(ঘ) বিধি ব্যৱস্থা প্ৰস্তুত কৰাৰ ক্ষেত্ৰত কোনো সময় সীমা থাকেনে?

(সবিশেষ জনাব)

বিষয় ঃ **বাৰ্ষিক মেৰামতিৰ কাম**

শ্ৰীযাদৱ চন্দ্ৰ ডেকা ঃ

১২২। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গড়কাপ্তানি গৃহ Division-II (Guwahati Building Circle) ৰ অধীনত যোৱা ২০১৩-১৪ আৰু ২০১৪-১৫ বৰ্ষত বাৰ্ষিক মেৰামতি (Annual repairing) আঁচনি সমূহৰ তালিকা আৰু ঠিকাদাৰক কাম আবণ্টন দিয়াৰ ক্ষেত্ৰত বিভাগীয় নিয়ম মানি কৰা হৈছিলনে?

(বিভাগীয় নিয়মৰ প্ৰতিলিপি আৰু কাম আবণ্টন পোৱা ঠিকাদাৰৰ নাম-ঠিকনাৰ বিপৰীতে আঁচনি আৰু ধনৰ পৰিমাণ সদনত দাখিল কৰিব)

(খ) উক্ত কাম সমূহৰ বাবে কিমানখন বাতৰি কাকতৰ জৰিয়তে টেণ্ডাৰ বিচাৰি বিজ্ঞাপন দিয়া হৈছিল?

(বাতৰি কাকতৰ নাম, প্ৰতিখন কাকতলৈ প্ৰকাশৰ বাবে প্ৰেৰণ কৰা বিজ্ঞাপনৰ প্ৰতিলিপি সদনৰ মেজত দাখিল কৰিব)

Sub. : **Maintenance of PWD Roads**

Shri ANAMUL HAQUE :

123. Will the Minister of PWD be pleased to state :

(a) Is it a fact that the present position of the State Roads of Cachar District are in a deplorable stage, continues monsoon is further worsening the road condition and people are suffering very much ?

(b) Whether Government will take steps to set right the condition of the road ?

বিষয় ঃ **ন্যায়ালয়ত চৰকাৰী অধিবক্তা**

শ্ৰীআব্দুৰ ৰহিম খান ঃ

১২৪। মাননীয় ন্যায়িক বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) মাননীয় উচ্চ ন্যায়ালয়ত অসমত কিমানটা বিভাগত চৰকাৰী অধিবক্তা নিয়োগ কৰা হৈছে?

(বিভাগ আৰু অধিবক্তাৰ তালিকা সদনত দাখিল কৰিব)

(খ) চৰকাৰৰ দ্বাৰা নিয়োজিত উক্ত অধিবক্তা সকলে সংশ্লিষ্ট বিভাগৰ বিভিন্ন গোচৰত বিগত ৪ বছৰত উপস্থিত থাকি চৰকাৰৰ পক্ষে কিমান সংখ্যক গোচৰৰ যুক্তি প্ৰদৰ্শন কৰিলে?

(বিভাগ, গোচৰ আৰু অধিবক্তাৰ নাম উল্লেখ কৰি সদনত বিতং জনাব)

(গ) কিমান সংখ্যক গোচৰত চৰকাৰৰ পক্ষে ৰায় দান পাইছে আৰু কিমান সংখ্যক গোচৰত চৰকাৰৰ বিপক্ষে ৰায়দান দিছে?

(বিভাগ, গোচৰ আৰু অধিবক্তাৰ নামসহ জিলা ভিত্তিত সদনত দাখিল কৰিব)

(ঘ) একেদৰে ৰাজ্যখনৰ বিভিন্ন নিম্ন আদালতত কিমান সংখ্যক Public Prosecutor, APP আৰু GP নিয়োজিত আছে?

(জিলা ভিত্তিত তালিকা সদনত দাখিল কৰিব)

বিষয় ঃ **PMGSY পথ নিৰ্মাণ সম্পৰ্কে**

শ্ৰীআলী হুছেইন ঃ

১২৫। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) সৰুক্ষেত্ৰী সমষ্টিত PMGSY ৰ অধীনত এতিয়ালৈকে কোন কোন পথৰ কিমান কিলোমিটাৰ নিৰ্মাণ কৰা হৈছে আৰু কোন কোন পথৰ কাম চলি আছে? কাম চলি থকা কোন কোন পথৰ কামৰ আবণ্টন কাক আৰু কেতিয়া দিয়া হৈছে?

(তথ্য সহকাৰে অগ্ৰগতিৰ সবিশেষ সদনত দাখিল কৰিব)

(খ) যোৱা ৫ বছৰত সৰুক্ষেত্ৰী সমষ্টিত কোন কোন পথ নিৰ্মাণ কৰিবলৈ বাকী আছে? বাকী থকা পথৰ কাম আৰম্ভ কৰিবনে? কেতিয়া আৰম্ভ কৰিব সদনত জনাব?

(গ) সৰুক্ষেত্ৰী সমষ্টিত বাদ পৰি থকা পথ সমূহ PMGSY/Bharat Nirman ৰ অধীনত নিৰ্মাণ কৰিবলৈ চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে?

(সবিশেষ তথ্য জনাব)

(ঘ) সৰুক্ষেত্ৰী সমষ্টিৰ কোন কোন পথ (PMGSY) নিৰ্মাণৰ ৫ বছৰীয়া সময় সীমা উকলি গৈছে? সময় সীমা উকলি যোৱা পথ সমূহ কি কি আৰু কোন কোন পথৰ নিৰ্ধাৰিত সময় সীমা কিমান দিন উকলি গৈছে?

(পথ সমূহ নিৰ্মাণ কৰা ঠিকাদাৰৰ নাম সহ সবিশেষ তথ্য সদনত জনাব)

বিষয় ঃ **আঁচনি সম্পৰ্কে**

শ্ৰীমতী গুল আখতাৰা বেগম ঃ

১২৬। মাননীয় গড়কাপ্তানি (পথ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) কি কি আঁচনিৰ জৰিয়তে পথ আৰু দলং পকীকৰণ কৰিব পাৰি বিতং তথ্য দিবনে?

(খ) উক্ত আঁচনি সমূহৰ জৰিয়তে ২০১১ চনৰ পৰা বৰ্তমানলৈ অসমত কি কি পথ আৰু দলং পকীকৰণ কৰা হ'ল আৰু হৈ আছে?

(জিলা ভিত্তিত বিতং তথ্য দিব)

(গ) বিলাসীপাৰা পূব সমষ্টিৰ অন্তৰ্গত NH-31 (at Tilapara) to Candardinga Pagla Baba Mandir) আৰু Mashaner Alga High School to Hatipota Parghat পথ ২টা বৃহত্তৰ ৰাইজৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি পকীকৰণৰ ব্যৱস্থা কৰিবনে?

(ঘ) যদি কৰে, কেতিয়া কৰিব?

বিষয় ঃ **পথৰ নিৰ্মাণ**

শ্ৰীনৱ কুমাৰ দলে ঃ

১২৭। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ঢকুৱাখানা সমষ্টিত ২০০৬ ৰ পৰা নিৰ্মীয়মান PMGSY ৰ কিমানটা পথৰ নিৰ্মাণ সম্পূৰ্ণ হ'ল? তাৰে কিমানটা পথ অসম্পূৰ্ণ হৈ ৰ'ল?

(বিতং তালিকা সদনত দাখিল কৰিব)

(খ) উল্লেখিত পথ সমূহত যাতায়তৰ বাবে মুকলি কৰাৰ পিছতে কিমানখন RCC দলং বহি গৈছে আৰু ব্যৱহাৰৰ অনুপযোগী হৈ পৰিছে?

(স্থান আৰু নম্বৰ উল্লেখ কৰি তালিকা দিব)

(গ) এই দলংসমূহ নিৰ্মাণৰ সময়ত পাইলিং কৰা নাছিল নেকি আৰু অন্যান্য কাৰিকৰী দিশসমূহ অনুসৰণ আৰু চোৱাচিতা কৰা হৈছিলনে? পাইলিং Test আৰু অন্যান্য কাৰিকৰী নিৰীক্ষণৰ প্ৰতিবেদনসমূহ দাখিল কৰিবনে?

(ঘ) ঢকুৱাখানা সমষ্টিত গড়কাপ্তানি ৰাস্তাৰ ওপৰত কিমানখন কাঠৰ দলং এতিয়াও পকী হ'বলৈ বাকী আছে? কিমানখন পকী দলঙৰ দুই মূৰৰ Approach সম্পূৰ্ণ হ'বলৈ বাকী আছে?

(বিতং তথ্য দিব)

(ঙ) চাকিকৰীয়া নদীৰ ওপৰত জালভাৰীত নিৰ্মীয়মান দলংখনৰ Approach কেতিয়া সম্পূৰ্ণ কৰি যাতায়ত আৰম্ভ কৰা হ'ব?

Sub. : **Release of funds**

Shri JAMAL UDDIN AHMED :

128. Will the Minister of Border Areas Development be pleased to state :

(a) Whether the Government is aware that the funds of the following heads & years of the Development Block Areas have not yet been released ?

Head of the funds	Year	Name of Dev. Block	District
S.C.A.	2012-13	Lowaipowa Dev. Block.	Karimganj
T.F.C.	2011-12	Patharkandi Dev. Block.	Karimganj
S.C.A.	2012-13	Patharkandi Dev. Block.	Karimganj

(b) Whether the Government is aware that no fund for the year 2013-14 was released ?

(c) What are the reasons for non-release of fund ?

বিষয় ঃ **ঘগাজান জলসিঞ্চন আঁচনি**

শ্ৰীঘনশ্যাম কলিতা ঃ

১২৯। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) AIBP ৰ অন্তৰ্ভুক্ত ৰঙিয়া সমষ্টিৰ ঘগাজানৰ ওপৰত নিৰ্মীয়মান জলসিঞ্চন আঁচনিখন Lift নে Flow Irrigation Scheme (FIS)?

(খ) যদি FIS তেনেহ'লে Head Work স্থানত Maximum Discharge আৰু Minimum Discharge কিমান?

(গ) আঁচনিখনৰ নিৰ্মাণ কাৰ্য্য ৰঙিয়া জলসিঞ্চন সংমণ্ডলৰ বিপৰীতে গুৱাহাটী জলসিঞ্চন সংমণ্ডলৰ আওতালৈ নিয়াৰ কাৰণ কি?

(ঘ) ৰঙিয়া জলসিঞ্চন সংমণ্ডলৰ তদানীন্তন সহকাৰী কাৰ্য্যবাহী অভিযন্তা পুলিন লহকৰৰ গুৱাহাটী সংমণ্ডললৈ বদলি হোৱা হেতুকে আঁচনিখনৰ নিৰ্মাণ কাৰ্য্যও উক্ত সংমণ্ডললৈ নিয়া হ'ল নেকি?

(ঙ) ঘগাজান আঁচনিখনৰ কাম Soil Conservation Deptt. এ হাতত লোৱা IWMP ৰ অধীনত থকা Kamrup soil Ghogajan IWMP 2011-12 আঁচনিৰ লগত Duplicacy হৈছে নেকি?

(চ) যিহেতু দুয়োখন আঁচনিৰ গাঁওসমূহ আৰু হিতাধিকাৰীৰ ভূমিখণ্ড একেই, গতিকে আঁচনিখন হাতত লওঁতে ভূমি সংৰক্ষণ বিভাগৰ লগত Convergence সম্পৰ্কত আলোচনা কৰা হৈছিলনে?

Sub. : **STW for Char areas under Baghbar LAC.**

Shri SHERMAN ALI AHMED :

130. Will the Minister of Irrigation be pleased to state :

(a) Is it true that consequent upon recommendation of DRSC and recommendation of Hon'ble Minister, Irrigation, etc. on D. O. letter No. 45/D-Irr/2014-15/6 dated 24-3-15 of the local MLA, Irrigation Department submitted a proposal for introduction of STW in the Char areas of Baghbar LAC for an amount of Rs 3.20 crore ?

(b) If so, whether the same is being approved and implemented during 2015-16 ?

(Please furnish a copy of detailed proposal)

(e) If not, why ?

বিষয় ঃ **আঁচনি ৰূপায়ণ**

শ্ৰীস্বপন কৰ ঃ

১৩১। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ভূমি সংৰক্ষণ বিভাগৰ জৰিয়তে হোজাই মহকুমাত ইং ২০১৩-১৪ আৰু ২০১৪-১৫ বিত্তীয় বৰ্ষত কি কি আঁচনি লোৱা হৈছে?

(আঁচনিৰ নাম, ঠিকনা, আবণ্টিত পুঁজিৰ পৰিমাণ সহ সমষ্টি ভিত্তিক বিতং তথ্য দাখিল কৰিব)

(খ) লামডিং সমষ্টিত উক্ত বিত্তীয় বৰ্ষত কোনো আঁচনি ৰূপায়ণ কৰা হৈছেনে? যদি হৈছে, বিতং তথ্য দিবনে?

বিষয় ঃ **অৱসৰপ্ৰাপ্ত কৰ্মচাৰীৰ বকেয়া**

শ্ৰীৰনজিৎ কুমাৰ দাস ঃ

১৩২। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) অসম ৰাজ্যিক পৰিবহন নিগম কোন চনত গঠন হৈছিল?

(খ) এই নিগম গঠন কৰাৰ আগেয়ে ৰাজ্যৰ ৰাজহুৱা পৰিবহন ব্যৱস্থাটো চৰকাৰৰ পৰিবহন বিভাগে নিজাকৈ পৰিচালনা কৰিছিল নেকি?

(গ) যদি হয়, ৰাজহুৱা পৰিবহন ব্যৱস্থাটো চৰকাৰে ৰাজ্যিক পৰিবহন নিগমলৈ হস্তান্তৰ কৰোতে দুয়োপক্ষৰ মাজত সম্পাদিত চুক্তিখনৰ এটা প্ৰতিলিপি সদনৰ মেজত দাখিল কৰিবনে?

(ঘ) নিগমে কোন চনৰ পৰা নিগমৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰীসকলক তেখেতসকলে পাব লগা লিভ্‌চেলাৰী, গ্ৰেচুইটি, চি পি এফৰ সমুদায় ধন আদায় দিবলৈ অসমৰ্থ হৈ আছে?

(বিতং জনাব)

(ঙ) ৩০-৬-১১ চনত নিগমৰ যোৰহাট আন্তঃৰাজ্যিক বাছ টাৰমিনাছৰ অধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰা অৰুণ চন্দ্ৰ দাসৰ, নিগমৰ পৰিচালন সঞ্চলকে তেখেতে পাব লগা এনে ধনৰাশি সম্পূৰ্ণকৈ মুকলি কৰি দিবলৈ বিধিগত ভাৱে অনুমোদন দিয়াৰ পিছতো দাসে এই পৰ্য্যন্ত প্ৰাপ্য ধনখিনি নোপোৱাৰ কাৰণ কি?

বিষয় ঃ **বিধায়ক পুঁজি সন্দৰ্ভত**

শ্ৰীমজিবুৰ ৰহমান ঃ

১৩৩। মাননীয় পৰিকল্পনা আৰু উন্নয়ন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বিধায়ক উন্নয়ন পুঁজিৰ দ্বাৰা বিকলাংগ সকলক Trolley দিয়াৰ ব্যৱস্থা আছেনে? যদি নাই, তেন্তে এই সন্দৰ্ভত চৰকাৰে বিশেষ ব্যৱস্থা ল'বনে?

(খ) ২০১৫-১৬ বিত্তীয় বৰ্ষৰ বাবে আবণ্টিত বিধায়ক পুঁজিৰ ধন কেতিয়া মুকলি কৰা হ'ব জনাবনে?

(গ) বিধায়ক পুঁজিৰ দ্বাৰা নিৰ্মিত আঁচনি সমূহৰ দূৰ্নীতি সংক্ৰান্তত সংশ্লিষ্ট বিধায়কজনক সাঙুৰি কোনো ব্যক্তি বা ব্যক্তি বিশেষে যদি স্থানীয় আৰক্ষী চকীত গোচৰ ৰুজু কৰে তেন্তে বিধায়ক জনৰ বিৰুদ্ধে পুলিচে গোচৰ পঞ্জীয়ন কৰিব পাৰে নেকি? যদি পাৰে, তেন্তে কি কাৰণত পাৰে জনাবনে?

বিষয় ঃ **কাজলিপথাৰ IWMP**

শ্ৰীআমিনুল ইছলাম ঃ

১৩৪। মাননীয় ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) নগাঁও জিলাৰ ধিং সমষ্টিৰ অন্তৰ্গত কাজলিপথাৰ IWMP ৰ নামত কিমান টকা Sanction হৈছে?

(খ) এতিয়ালৈকে কিমান টকা খৰচ কৰা হ'ল?

(গ) কামৰ অগ্ৰগতি সহ খৰচৰ ব্যৱহাৰিক প্ৰমাণ পত্ৰ দিবনে?

বিষয় ঃ **অসম ক্ৰিকেট সংস্থা সম্পৰ্কে**

শ্ৰীমুকুন্দ ৰাম চৌধুৰী ঃ

১৩৫। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰে অসম ক্ৰিকেট সংস্থাক ১৯৯১ চনৰ পৰা বৰ্তমানলৈ কিমান ধন এই পৰ্য্যন্ত আদায় দিছে?

(খ) বৰ্ষাপাৰাৰ নিৰ্মীয়মান ষ্টেডিয়ামৰ বাবদ মুখ্যমন্ত্ৰীয়ে কিমান ধন অসম ক্ৰিকেট সংস্থাক দিছে?

বিষয় ঃ **পথ মেৰামতি**

শ্ৰীদ্বীপেন পাঠক ঃ

১৩৬। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) চৰকাৰে জানেনে Sate Highway ৰ অধীনত থকা চেছা, দমদমা ৰঙিয়া পথছোৱা একেবাৰে জৰাজীৰ্ণ হৈ আছে আৰু যোৱা দুবছৰ ধৰি কোনো মেৰামতিৰ ব্যৱস্থা কৰা হোৱা নাই, যাৰ ফলত হাজো কমলপুৰ আৰু ৰঙিয়া সমষ্টিৰ হাজাৰ হাজাৰ বাসিন্দাই জীয়াতু ভূগিবলগীয়া হৈছে?

(খ) যদি জানে, তেন্তে এই পথছোৱাৰ মেৰামতিৰ কিবা ব্যৱস্থা কৰা হৈছে নেকি আৰু যদি হোৱা নাই, কিমান দিনৰ ভিতৰত মেৰামতি কৰা হ'ব জনাব?

বিষয় ঃ **ইষ্ট-ওৱেষ্ট কৰিডৰৰ কাম**

শ্ৰীকমলেখ্য দে পুৰকায়স্থ ঃ

১৩৭। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ৰাজ্য চৰকাৰৰ গড়কাপ্তানি বিভাগে ইষ্ট-ওৱেষ্ট কৰিডৰৰ কাম কিমান তাৰিখে আৰম্ভ কৰিছিল?

(খ) উক্ত কৰিডৰৰ কাম কোন চনৰ কোন মাহত শেষ কৰাৰ কাৰণে চৰকাৰে সময় সীমা নিৰ্দ্ধাৰণ কৰিছে?

(গ) বৰ্তমান কাম কিমান শতাংশ সম্পূৰ্ণ হৈছে?

Sub. : **Fund sanctioned for Silchar-Kalain Road.**

Dr. RUMI NATH :

138. Will the Minister of P.W.D. be pleased to state :

(a) How much fund was sanctioned for Silchar-Kalain Road under NEC? When it will be completed?

(b) Is the Government aware of the fact that there is low quality of work of road as complained by local people? If so, what urgent steps are taken by the Government for improvement of quality of work of Silchar-Kalain Road?

(c) How much balance fund are left for Silchar-Kalain Road?

(d) How much Payment were made to contractor till date?

(Please furnish in details)

বিষয় ঃ **পথ মেৰামতি**

সেখ শাহ আলম ঃ

১৩৯। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) SDRF ৰ শিতানত যোৱা বিত্তীয় বছৰত অসমৰ কোন কোন জিলাত কিমান টকা মঞ্জুৰী দিয়া হৈছে?

(খ) যোৱা বছৰ গোৱালপাৰা জিলাৰ Flash flood হৈ গোৱাৰপাৰা জিলাৰ ৰাস্তা ঘাটবোৰ বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱাটো চৰকাৰ অৱগতনে? যদি অৱগত, উক্ত জিলাৰ পথবোৰ মেৰামতিৰ বাবে বিশেষ কোনো পুঁজি দিয়া হৈছেনে?

(গ) গোৱালপাৰা জিলাৰ PWD (R) সংমণ্ডলৰ অধীনত থকা আগিয়া মেধিপাৰা পথটো জৰাজীৰ্ণ অৱস্থাত আছে এই বিষয়ে চৰকাৰ অৱগতনে? যদি অৱগত, উক্ত পথটো মেৰামতি বা পুনৰ নিৰ্মাণৰ ব্যৱস্থা চৰকাৰে হাতত লৈছেনে?

(ঘ) যদি লৈছে, কিমান দিনৰ ভিতৰত উক্ত পথটো মেৰামতি বা পুনৰ নিৰ্মাণৰ কাম আৰম্ভ কৰিব?

Sub. : **State Road Purpose**

Shri ABDUR RAHIM AJMAL :

140. Will the Minister of P.W.D. be pleased to state :

(a) Whether the Government is aware that the State road from Debasthan to Nilbagan under Udali Sub-Division is in the very ramshackle condition ?

(b) How the work is done by State Road Division, Nagaon ?

(c) Whether the Government has the proposal to upgrade the said road to Intermediate Lane?

(Please confirm with submission of proper documents in this regard)

(d) If not, why the department should not perform their duty properly?

Sub : **ASMIDC and AIBP Schemes**

Shri ABDUR RAHMAN AJMAL :

141. Will the Minister of Irrigation be pleased to state :

(a) How many Projects/Schemes have been taken under Assam State Minor Irrigation Development Corporation (ASMIDC) in Assam in last five years ?

(Please mention the projects' name, present status, year of completion and money invested in each project District-wise)

(b) Is there any projects taken by the Government of Assam under Scheme of Accelerated Integrated Benefit Programme (AIBP) in past 5 years funded by Central Government?

(c) If so, please mention the projects' name, present status, year of completion and money invested in each project District-wise ?

বিষয় ঃ **পথ আৰু দলং নিৰ্মাণ**

শ্ৰীপ্ৰবীন হাজৰিকা ঃ

১৪২। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) যোৱা এক আৰু দুই মাহৰ আগতে হৈ যোৱা বানপানীয়ে উত্তৰ অঞ্চলৰ কেইবাখনো কাঠৰ দলং আৰু কেবাটাও পথ কালভাৰ্ট ভাঙিলে?

(ক্ষতিগ্ৰস্ত দলঙৰ নাম সমূহ আৰু পথ সমূহৰ নাম জিলা আৰু সমষ্টি ভিত্তিত তথ্য দিয়াৰ ব্যৱস্থা কৰিব)

(খ) উক্ত ক্ষতিগ্ৰস্ত হেৰা পথ আৰু দলং সমূহৰ নিৰ্মাণৰ বাবে জৰুৰীভাৱে ব্যৱস্থা লৈছেনে? যদি লৈছে, কেতিয়াৰ পৰা কাম সমূহ আৰম্ভ কৰিব?

(গ) Biswanath LAC ৰ অন্তৰ্গত তলত উল্লেখ কৰা পথ কেইটা আৰু কাঠৰ দলং কেইখন জৰাজীৰ্ণ অৱস্থা হৈছে, চৰকাৰ অৱগতনে?

(১) <u>পথ সমূহ (প্ৰধান মন্ত্ৰী পথ পকীকৰণ আঁচনি) নিৰ্মাণৰ বাবে</u>

(১) বালিচাং কমাৰজান পথ - ৫ কিলোমিটাৰ

(২) দলংগুৰি মাজুলীগড় পথ - ৩ কিলোমিটাৰ

(৩) বৰপুখুৰী নিছাংচাং মিছামাৰী পথ- ৪ কিলোমিটাৰ

(৪) ধুলি দিৰিং চাহবাগিচা পথ - ৪ কিলোমিটাৰ

(৫) সামুকজুলী সোনাজুলী ফুলবাৰী পথ - ৬ কিলোমিটাৰ

(৬) ঘাহিনগঞা গাঁৱৰ পৰা হোকাজান পথ - ২ কিলোমিটাৰ

(৭) বোকাবিল নিজগড়পাল পথ - ৪ কিলোমিটাৰ

(৮) বোকাবিল দলপানী চেনীমাৰী পথ - ৩ কিলোমিটাৰ

(৯) তিনিসূতী পামবস্তী জয়পুৰ পথ - ৪ কিলোমিটাৰ

(১০) বেজবৰুৱা পথ পলশনী পথ - ২১/২ কিলোমিটাৰ

(১) কাঠৰ দলং সমূহৰ নাম (পকীকৰণৰ বাবে)

(১) মৰনৈ হোকাজান কাঠৰ দলং

(২) ধুলি বিজয়পুৰ পথৰ দলং

(৩) নাহৰনী মাৰুৱাবস্তী কাঠৰ দলং

(৪) কমাৰজান কাঠৰ দলং

(৫) ৩ নং বৰপমাৰ কাঠৰ দলং

(৬) মৰল গাঁও বাহবৰীয়া পাম সংযোগ পথৰ কাঠৰ দলং

(৭) চেলাইখাটি প্ৰচাৰ গাঁৱৰ কলা নদীৰ কাঠৰ দলং

(৮) তিনিসূতী পামবস্তীৰ কাঠৰ দলং

(ঘ) যদি অবগত, উক্ত পথ আৰু দলং সমূহ জৰুৰী ভাবে নিৰ্মাণৰ ব্যৱস্থা ল'বনে?

বিষয় ঃ **ASTC ৰ ছুপাৰ বাছ সেৱা**

শ্ৰীকমলসিং নাৰ্জাৰী ঃ

১৪৩। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গুৱাহাটীৰ পৰা লখিমপুৰ-গোগামুখ-ঢকুৱাখানা-মাজৰদেউৰী (বোৰ্ডাৰ) মাজুলীলৈ চলাচল কৰা চৰকাৰী পৰিবহন নিগমৰ উন্নত ছুপাৰ বাছ সেৱাৰ উন্নীতকৰণৰ হকে পৰিবহন বিভাগে কেনে অভিলাষী আঁচনি গ্ৰহণ কৰিছে?

(খ) নয়াবজাৰ-সুৱৰ্ণ দেউৰী (মাজৰদেউৰী)-জেংৰাইমুখ-কমলাবাৰী আদি মাজুলীৰ গুৰুত্বপূৰ্ণ স্থান সমূহক ৰাজ্যিক পৰিবহন নিগমৰ ছুপাৰ বাছ সেৱাৰ মানচিত্ৰ ত সামৰি লোৱাৰ বাবে চৰকাৰে কিবা পদক্ষেপ গ্ৰহণ কৰিছে নেকি?

বিষয় ঃ **পৌৰসভাৰ অন্তৰ্গত ৰাস্তা**

শ্ৰীজাহান উদ্দিন ঃ

১৪৪। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধুবুৰী পৌৰসভাৰ অন্তৰ্গত বিভাগটোৰ অধীনত সৰ্বমুঠ কিমানটা ৰাস্তা আছে?

(ৰাস্তাৰ নাম, ৰাস্তাৰ দৈৰ্ঘ্যতা সহ বিতং তালিকা দিব)

(খ) যোৱা তিনিটা বিত্তীয় বছৰত কোন কেইটা ৰাস্তা, কোন আঁচনিৰ অধীনত কিমান টকা মঞ্জুৰী সাপেক্ষে কোন ঠিকাদাৰৰ জৰিয়তে মেৰামতিৰ কাম কৰা হৈছিল?

(বিতং তথ্য যোগান ধৰিব)

(গ) আজিৰ পৰা প্ৰায় ১১/২ বছৰমান আগতে PBMC ৰ অধীনত সম্পূৰ্ণ কৰা ১। Dhubri-Patamari Road ২। Station Teeder Roadৰ মেৰামতিৰ কাম নিম্ন মানদণ্ডৰ হোৱা হেতুকে ৰাস্তা দুটা জৰাজীৰ্ণ হৈ বৰ্তমানে যাতায়তৰ বাবে অনুপযোগী হৈ পৰিছে। এই ক্ষেত্ৰত তদন্ত কৰি ঠিকাদাৰ তথা জড়িত বিষয়া কৰ্মচাৰীৰ বিৰুদ্ধে বিহীত ব্যৱস্থা গ্ৰহণ কৰিবনে?

(ঘ) বৰ্তমানে ১। Dhubri-AMCO Road ২। Dhubri-Gadikhana Road আৰু ৩। Dhubri-Patamari Road (Urban area) কেইটা ইমানেই জৰাজীৰ্ণ যে সৰ্বসাধাৰণ ৰাইজে জীয়াতু ভূগি মাজে মাজে বিভিন্ন প্ৰতিবাদ সাব্যস্তৰে ৰাস্তা কেইটা মেৰামতিৰ দাবী উত্থাপন কৰি থকা সম্পৰ্কে চৰকাৰ জ্ঞাতনে?

(ঙ) উক্ত ৰাস্তা কেইটা অনতিপলমে মেৰামতিৰ ব্যৱস্থা গ্ৰহণ কৰিবনে? যদি কৰে, কিমান দিনৰ ভিতৰত কৰিব?

(চ) Const. of Kismathardaha pt. iv to Dhubri-Binnachara Road under PMGSY (Package No.AS-05-32) আঁচনিখন সম্পূৰ্ণ কৰিবলৈ Empowered Officer & Addl. Chief Engineer, PWD (R) (W/Z) Assam য়ে চিঠি নং T/BR/PMGSY/53/2006-07/pt/5, dtd 25.11.2014 যোগেদি Commissioner & Spl. Secy., PWD, Govt. of Assam, Dispurক Addl. Estimate জমা দিয়াৰ বহুদিন উকলি যোৱাৰ পিছতো কি কাৰণত বিহীত ব্যৱস্থা গ্ৰহণ কৰা নহ'ল?

(ছ) উক্ত চিঠিৰ প্ৰাসংগিকতা ৰক্ষা কৰি সেয়া কাৰ্য্যকৰী ব্যৱস্থাৰে ৰাস্তাটো সম্পূৰ্ণ কৰি যাতায়তৰ সুগম কৰি দিবনে?

বিষয় ঃ **জলসিঞ্চন আঁচনি**

শ্ৰীকেশৱ মহন্ত ঃ

১৪৫। মাননীয় জলসিঞ্চন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) বৰ্তমান অসমত কিমানটা সৰু-বৰ জলসিঞ্চন আঁচনি আছে? ইয়াৰে কিমান আঁচনিৰ দ্বাৰা বৰ্তমান কিমান মাটিত পানী দি থকা হৈছে আৰু বৰ্তমান বিকল আঁচনিৰ সংখ্যা কিমান? ইয়াৰে কিমান আঁচনি পুনৰ মেৰামতি কৰিব পাৰি আৰু কিমান আঁচনি মেৰামতি কৰিব নোৱাৰি ?

(তথ্যসমূহ জিলা ভিত্তিত দাখিল কৰিব)

(খ) অসমত কিমান কৃষি ভূমিত জলসিঞ্চনৰ সুযোগ আছে আৰু ইয়াৰে কিমান ভূমিত বৰ্তমান জলসিঞ্চন আঁচনিৰ দ্বাৰা পানী দি থকা হৈছে?

(গ) ২০১১-১২ বিত্তীয় বৰ্ষৰ পৰা ২০১৫-১৬ বিত্তীয় বৰ্ষৰ বৰ্তমানলৈ জলসিঞ্চন বিভাগে কি কি আঁচনিত অনুমোদন দি ৱৰ্ক অৰ্ডাৰ দিছে, এই কামবোৰৰ বৰ্তমান অগ্ৰগতি কিমান? ৱৰ্ক অৰ্ডাৰমতে কামবোৰ কেতিয়া শেষ হ'ব লাগিছিল?

(প্ৰতিটো আঁচনিৰ বিপৰীতে ধাৰ্য্য ধনৰ পৰিমাণৰ বিপৰীতে তথ্য দাখিল কৰিব)

(ঘ) ২০০১-০২ বিত্তীয় বৰ্ষৰ পৰা ২০১৫-১৬ বিত্তীয় বৰ্ষৰ বৰ্তমানলৈ জলসিঞ্চন আঁচনিৰ নিৰ্মাণ আৰু মেৰামতিৰ নামত বিভাগে কিমান টকা ব্যয় কৰিলে?

(তথ্য সমূহ বিত্তীয় বৰ্ষ অনুযায়ী দাখিল কৰিব)

(ঙ) জলসিঞ্চন বিভাগে কোনো সামগ্ৰী জলসিঞ্চন আঁচনিৰ বাবে কেন্দ্ৰীয় ভাবে ক্ৰয় কৰে নেকি? যদি কৰে কি কি সামগ্ৰী ক্ৰয় কৰে?

বিষয় ঃ **পথ মেৰামতি**

শ্ৰীউৎপল দত্ত ঃ

১৪৬। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) গড়কাপ্তানি বিভাগে ২০০৬-০৭ চনৰ পৰা ২০১৩-১৪ লৈ আৰু ২০১৪-১৫ বৰ্ষত কেন্দ্ৰৰ পৰা কিমান পুঁজি লাভ কৰিলে? ইয়াৰে কিমান ধন ব্যৱহাৰ হ'ল আৰু কিমান ধন ব্যৱহাৰ হ'বলৈ বাকী আছে?

(খ) ২০১৩-১৪ ৰ পৰা বৰ্তমানলৈ মেৰামতিৰ নামত কিমান ধন ব্যয় কৰিছে?

(গ) ৰাজ্যৰ ৰাষ্ট্ৰীয় পথৰ দৈৰ্ঘ্য কিমান ?

(ফৰলেন সহ)

(ঘ) ৰাষ্ট্ৰীয় পথ সমূহৰ ভিতৰত কোনটো পথ মেৰামতিৰ দায়িত্ব কেন্দ্ৰৰ আৰু কোনটো পথ ৰাজ্য চৰকাৰৰ?

(ঙ) ৰাজ্যিক ঘাই পথ কেইটা? এই পথ সমূহ মেৰামতিৰ বাবে ২০০৫-০৬ চনৰ চনৰ পৰা এতিয়ালৈ কিমান পুঁজি লাভ কৰিছে আৰু কিমান পুঁজি ব্যয় কৰিছে?

(চ) বৰ্তমান ৰাজ্যত কিমান কাঠৰ দলং আছে আৰু কিমান কেঁচা পথ আছে? কেঁচা পথ আৰু দলং সমূহ কেতিয়া পকীকৰণ হ'ব?

(ছ) গড়কাপ্তানি বিভাগৰ কোন বিষয়াৰ বিৰুদ্ধে বৰ্তমান বিভাগীয়, আৰক্ষী বা অন্যান্য তদন্ত চলি আছে?

(বিষয়াৰ নাম, পদবী, অভিযোগ আৰু তদন্তৰ সবিশেষ জনাব)

(জ) জাগীৰোড-মৰিগাঁও পথ আৰু দলং সমূহ নিৰ্মাণৰ বাবে কোন কোন ঠিকাদাৰক দায়িত্ব দিয়া হৈছে আৰু তেওঁলোকক কেতিয়াৰ ভিতৰত কাম শেষ কৰাৰ নিৰ্দেশ দিয়া হৈছিল?

(ঝ) এই পথটো আৰু দলং সমূহ নিৰ্মাণ কি পৰ্য্যায়ত আছে অৰ্থাৎ অগ্ৰগতিৰ হাৰ কিমান? পুৰণি পথটো মেৰামতিৰ দায়িত্ব কাৰ?

(ঞ) উক্ত পথটো মেৰামতি নকৰাৰ কাৰণ কি?

বিষয় ঃ **ক্ৰীড়া ক্ষেত্ৰৰ আন্তঃগাঁঠনি**

শ্ৰীবিনন্দ কুমাৰ শইকীয়া ঃ

১৪৭। মাননীয় ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগে ৰাজ্যখনৰ ক্ৰীড়া ক্ষেত্ৰখনৰ আন্তঃগাঁঠনি উন্নয়নৰ বাবে কি কি পদক্ষেপ হাতত লৈছে?

(সবিশেষ তথ্য সদনত দাখিল কৰিব)

(খ) বিভাগৰ তৰফৰ পৰা দৰং জিলাত কিবা বিশেষ আঁচনি গ্ৰহণ কৰা হৈছে নেকি?

(সবিশেষ জনাব)

বিষয় ঃ **ৰাস্তা আৰু দলং**

শ্ৰীমইন উদ্দিন আহমেদ ঃ

১৪৮। মাননীয় গড়কাপ্তানি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ২০০১ চনৰ পৰা আজিলৈকে গড়কাপ্তানি বিভাগৰ জৰিয়তে জলেশ্বৰ সমষ্টিত কোন কোন ৰাস্তা আৰু দলঙৰ কাম Sanction হৈছে?

(ৰাস্তা/দলঙৰ নাম, দৈৰ্ঘ্য, পুঁজিৰ পৰিমাণ Work Order ৰ Copy Physical Progress Financial Progress ৰ সৈতে বিতং তথ্য দাখিল কৰিব বছৰি ভিত্তিক)

(খ) যোৱা ১১-৩-২০১৫ তাৰিখৰ বিধান সভা অধিবেশনৰ ২০৩ নং তৰা বিহীন প্ৰশ্নৰ উত্তৰৰ মতে লক্ষীপুৰৰ পৰা মেধীপাৰা পথ ছোৱাৰ মাজৰ কাঠৰ দলং দুখনৰ ঠাইত RCC Box Culvertনিৰ্মাণৰ বাবে ৫-৪-২০১০ তাৰিখে ৰাজীব আহমেদ নামৰ ঠিকাদাৰক আবন্টন দিয়াৰ পিছতো কাম আৰম্ভ হোৱা নাই, ইয়াৰ কাৰণ কি?

(গ) জলেশ্বৰ সমষ্টিৰ মুখ্য পথ হিচাপে পৰিগণিত লক্ষীপুৰ জলেশ্বৰ ৰাস্তাত থকা জৰাজীৰ্ণ কাঠৰ দলং দুখনৰ বিষয়ে চৰকাৰ অৱগতনে?

(ঘ) যদি অৱগত, তেন্তে উক্ত দলং দুখন RCC লৈ ৰূপান্তৰিত কৰাৰ কিবা ব্যৱস্থা চৰকাৰে হাতত লৈছেনে? যদি লৈছে, তেন্তে বৰ্তমান কি পৰ্য্যায়ত আছে জনাবনে?

(ঙ) আগিয়াৰ পৰা মেধীপাৰালৈ থকা ৰাস্তাটোৰ জৰাজীৰ্ণ অৱস্থাৰ বিষয়ে বিধান সভাত বহুবাৰ প্ৰশ্ন উত্থাপন কৰাৰ পিছতো আজিলৈকে কোনো ব্যৱস্থা লোৱা নহ'ল। ৰাস্তাটোৰ পুনঃনিৰ্মাণৰ বাবে চৰকাৰে ব্যৱস্থা ল'বনে?

Sub : **Delay in Construction of Roads**

Shri MANORANJAN DAS :

149. Will the Minister of PWD be pleased to state :

(a) Is it a fact that even after 5 years of time the contractor responsible for construction of the roads (i) Ulua to Bhogeswari Mandir and (ii) Dubi (Malipara) to Helana could not complete the works ?

(b) Is there any understanding with the contractor for which he could delay the completion of the work ?

(c) If not, what penal action, as per terms of the contract agreement has been taken against the defaulting contractor?

(Please furnish detail report)

বিষয় ঃ **ফেৰী সেৱা**

শ্ৰীঅৰুণ ফুকন ঃ

১৫০। মাননীয় পৰিবহন (জল) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে ঃ

(ক) ধনশিৰিমুখ, গমিৰিঘাট ফেৰী সেৱা ১০ বছৰৰো অধিক কাল বন্ধ হৈ আছে, চৰকাৰ অৱগতনে?

(খ) এই ফেৰী ঘাটৰ কৰ্মচাৰীসকলক বৰ্তমান ক'ত নিয়োগ কৰা হৈছে?

(গ) এই ফেৰী সেৱা 'নিকৰিঘাট-লোহিতমুখঘাট' লৈ চলাবৰ বাবে বিহীত ব্যৱস্থা গ্ৰহণ কৰিবনে?

(ঘ) যদি কৰে, কেতিয়াৰ পৰা আৰম্ভ কৰিব?